# যীচু আৰু পাঁচনিবিলাকে শুভবাৰ্ত্তা ঘোষণা কৰিছিল

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন M2b পঢ়ক।

পৰিত্ৰানৰ কাৰণে যীচুৰ মৃত্যু আৰু পুনৰুত্থান আৰু তেওঁৰ ক্ষমাৰ প্ৰতিজ্ঞা আৰু অনুতাপিত বিশ্বাসী সকললৈ অনন্ত জীৱনৰ আচল শুভবাৰ্ত্তা খ্ৰীষ্টিয়ান সকলে ঘোষনা কৰে (লূক ২৪ঃ৪৬-৪৮)।

**১। শুভবাৰ্ত্তা ঘোষণা কৰিবলৈ আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

উচিত ৰূপে কৰা শুভবাৰ্ত্তা প্ৰচাৰে লোকবিলাকক তেওঁলোকৰ পাপৰ পৰা মন পালটান কৰায় আৰু যীচুখ্ৰীষ্টত বিশ্বাস কৰায়। যেতিয়া আমি লোকবিলাকক আচল শুভবাৰ্ত্তা কওঁ, তেতিয়া পবিত্ৰ আত্মাই মন পালটন আৰু বিশ্বাস কৰাত সহায় কৰে।

যীচুখ্ৰীষ্টৰ যোগেদি ক্ষমা আৰু অনন্ত জীৱন অনা শুভবাৰ্ত্তা উত্তম ভাবে জানিবলৈ, তলত দিয়া বাইবেলৰ অংশবোৰ সাৰধানে পঢ়ক।

**লূক ১৮ঃ৩১-৩৪** পদত চাওঁক, মৃত্যুৰ আগেয়ে আৰু পুনৰুত্থিত হোৱা পিছত নিজৰ বিষয়ে যীচুৱে কি ভৱিষ্যত বানী কৰিছিল...

- তেওঁৰ মৃত্যু ক'ত হ'ব?
- তেওঁক পৰজাতিবিলাকে কি কৰিব?
- তিনি দিনৰ পিছত যীচুৱে নিজে কি কৰিব?

**লূক ২৪ঃ৫-৯** পদত চাওঁক, দুগৰাকী বাৰ্ত্তাবাহকে কেইগৰাকীমান মহিলাক যীচুৰ বিষয়ে কি কৈছিল...

- পাপী লোকবিলাকে তেওঁলৈ কি কৰিলে?
- কেনেকৈ তেওঁৰ মৃত্যু হৈছিল?
- তিনি দিনৰ পিছত তেওঁ কি কৰিলে?

**লূক ২৪ঃ৩৬-৪৮** পদত চাওঁক, তেওঁৰ মৃত্যুৰ পিছত আৰু পুনৰুত্থিত হৈ যীচুৱে নিজে কি ঘোষণা কৰিলে...

- তেওঁ প্ৰকৃততে মৃত্যুৰ পৰা জীৱনলৈ কিদৰে ঘূৰি আহিল, সেই কথা যীচুৱে কেনেকৈ দেখুৱালে *(৩৬-৪৩)।*
- তেওঁৰ মৃত্যু আৰু পুনৰুত্থান কোন পবিত্ৰ পুস্তক আৰু পবিত্ৰ লোকে ভবিষ্যত বানী কৰিছিল *(৪৪-৪৫)।*
- দুঃখ ভোগৰ তিনিদিনৰ পিছত তেওঁ নিজে কি কৰিবলগা হৈছিল *(৪৬)।*
- আমি বিশ্বাসীসকলে সকলো ঠাইতে কি ঘোষণা কৰা উচিত *(৪৭)*
- এইবোৰ কথাৰ কাৰণে যীচুৰ শিষ্যবিলাকে কি কৰিব লগা হৈছিল ? *(৪৮)*

**পাঁচনিৰ কৰ্ম্ম ২ঃ২১-২৪ ত ৩৭-৩৮** পদত চাওঁক, পিতৰে যিহূদী লোকবিলাকৰ আগত শুভবাৰ্ত্তা ঘোষণা কৰা...

- যীচুৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে পিতৰে কি কৈছে *(২ঃ২১-২৪)।*
- ক্ষমা আৰু পবিত্ৰ আত্মা পাবলৈ যিহূদীবিলাকে কি কৰিব লাগিছিল *(২ঃ৩৭-৩৮)।*

**পাঁচনিৰ কৰ্ম্ম ২৬ঃ১৯-২৩** চাওঁক, অযিহূদী লোকবিলাকৰ আগত পৌলৈ শুভবাৰ্ত্তা ঘোষণা কৰিছিল...

- পৰজাতি (অ-যিহূদী) বিলাকে কিহৰ বিষয়ে কৰিব লাগিছিল। *(২০)* (লক্ষ্য কৰক যে ঈশ্বৰে ইচ্ছা কৰে যে যিহূদী আৰু পৰজাতি দুয়ো পৰিত্ৰাণ পাবলৈ মন পালটন কৰিব লাগে)।
- যীচুৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে (২৩)

**ৰোমীয়া ৬ঃ৮-১৪** পদত চাওঁক, আমি বাপ্তিইজিত হলে আধ্যাত্মিক ভাবে আমালৈ কি ঘটে...

- খ্ৰীষ্ট মৰোঁতে, তেওঁৰ লগত কাৰ মৃত্যু হৈছিল? (৮-৯)

- খ্ৰীষ্ট জীৱনলৈ উত্তোলিত হওঁতে, তেওঁৰ লগত কোন উঠিছিল?

**২। সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক।**

যীচুৰ শক্তিৰে আৰোগ্য অথবা পৰিত্ৰান পোৱা অবিশ্বাসীসকলক পৰিদৰ্শন কৰক, আৰু তেওঁলোকক শুভবাৰ্ত্তা বৰ্ণনা কৰক, আৰু ৰোমীয়া ৫ঃ১০ আৰু ১০ঃ৯-১০ পদত থকা প্ৰতিজ্ঞাবোৰৰ বিষয়ে কওক।

সহকৰ্ম্মী সকলৰ লগত **আলোচনা** কৰক, কেনেকৈ আপুনি আৰু তেওঁবিলাকে শুভবাৰ্ত্তা ব্যাখ্যা কৰিছে, আৰু যীচুক মৰিবলৈ দিয়া হৈছিল আৰু পুনৰ জীৱনলৈ আহিল এই কথা সদায় ঘোষণা কৰিবলৈ আঁচনি কৰক, আৰু লোকবিলাকে তেওঁলোকৰ পুৰনি জীৱন ত্যাগ কৰি নতুন জীৱনৰ কাৰণে খ্ৰীষ্টক বিশ্বাস কৰা উচিত।

**ছবিবোৰ ব্যৱহাৰ কৰক।** যদি আপোনাৰ সংস্কৃতিয়ে ধৰ্ম্মীয় বিষয়-বস্তুৰ ছবিৰ অনুমতি দিয়ে, তেন্তে যীচুৰ শুভবাৰ্ত্তা বৰ্ণনা কৰোঁতে দেখুৱাব পৰাকৈ একো একোটা সাধাৰণ ছবিবোৰ আঁকক। ওপৰত দিয়া সাধাৰণ ছবিবোৰ ইয়াৰ নমুনা।

নিৰুৎসাহী, পৰীক্ষিত অথবা সন্দিহান হোৱা বাপ্তাইজিত লোকবিলাকক পৰিদৰ্শন কৰক, আৰু ধাৰ্ম্মিক জীৱন-যাপন কৰিবলৈ তেওঁলোকত থকা খ্ৰীষ্টৰ শক্তি বৰ্ণনা কৰক। ৰোমীয়া ৬ঃ১-১৪ পদ আপুনি ব্যৱহাৰ কৰিব পাৰে।

**৩। হ'বলগীয়া উপাসনা সময়ৰ আঁচনি সহকৰ্ম্মীসকলৰ লগত কৰক।**

মানুহবিলাকৰ প্ৰয়োজনত খাপ খুওৱা কামবোৰ বাচি লওক।

কওঁক অথবা নাট কৰক, মৃত্যুৰ পৰা পুনৰুত্থিত হৈ যীচুৱে শিষ্যবিলাকক দেখা দিয়া আৰু লূক ২৪ অধ্যায়ত (১ম ভাগত) আপুনি কি পালে ব্যাখ্যা কৰক। আপুনি কি পালে সেই বিষয়ে প্ৰশ্ন কৰক।

ল'ৰা-ছোৱালীয়ে যুগুত কৰা নাট, পদ্য আৰু প্ৰশ্নবোৰ ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলৰ আগত পৰিবেশন কৰক।

বিশ্বাসীসকলক প্ৰস্তুত কৰক, তলত দিয়া ছবিবোৰৰ তলত দিয়া দৰে সাধাৰণ, শক্তিশালী বাৰ্ত্তাবোৰ অবিশ্বাসী সকলৰ নিমিত্তে নিবলৈ।

**"আপুনি দুটা কথা জনা উচিত আৰু দুটা কাম কৰা উচিত"**

**জনা**

১। লজ্জাজনক কাম কৰা নিমিত্তে ঈশ্বৰে আপোনাক নৰকলৈ পঠিয়াব।

২। আপোনাৰ লজ্জাজনক কামৰ কাৰণে যীচু আহিল আৰু ক্ৰুচত মৃত্যু হল, আৰু আপোনাক ক্ষমা কৰিবলৈ আৰু তেওঁৰ অনন্ত জীৱন দিবলৈ তেওঁ জীৱনলৈ পুনৰুত্থিত হল।

**কৰা**

১। আপোনাৰ লজ্জাজনক কামৰ বাবে আপুনি নিশ্চয় দুঃখিত আৰু সেইবোৰৰ পৰা আঁতৰি আহক।


২। আপোনাক ক্ষমিবলৈ যিজনা মৰিল আৰু পুনৰুত্থিত লে সেই যীচুক আপুনি বিশ্বাস কৰা উচিত।

প্ৰভু-ভোজ স্থাপন কৰিবলৈ লূক ২৩ঃ১৩-৪৮ পদৰ পৰা যীচুৰ ক্ৰুচত মৃত্যুৰ বিৱৰণ পঢ়ক অথবা কওক।

বিশ্বাসীবিলাকক সৰু সৰু গোটবোৰ গঠন কৰিবলৈ দি ঃ

- পৰিত্ৰাণ পাবলৈ বন্ধুবৰ্গ আৰু পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰক।
- শুভবাৰ্ত্তা বৰ্ণনা কৰাৰ উপায়ৰ কাৰণে প্ৰাৰ্থনা কৰক
- কেতিয়া তেওঁবিলাকক পৰিদৰ্শন কৰিব আঁচনি কৰক।
- মানুহে মনত ৰাখিবলগীয়া দুটা কথা একেলগে শিকা উচিত আৰু দুটা কাম তেওঁবিলাকে কৰা উচিত (ওপৰত উল্লেখ কৰা)


একেলগে মুখস্থ কৰক লূক ২৪ঃ৪৬-৪৮ পদ




যীচু মানৱ ৰূপে এই জগতলৈ আহিল, বহু দিনৰ আগেয়ে পবিত্র লোকবিলাকে প্রতিজ্ঞা কৰা ঠাই ও সময়ত জন্ম ললে।




সৎ কৰ্ম্ম কৰি, ৰোগীক সুস্থ আৰু ভূত-পিশাচ খেদি, মৃতকক পুনৰ জীৱন দান দি, তেৱেঁই যে প্রতিজ্ঞাৰ ব্যক্তি তাকে যীচুৱে দেখালে। ঈশ্বৰক কেনেকৈ জানিব পাৰি তাকো তেওঁ শিকালে।



দুষ্ট ধৰ্ম্মীয় নেতাসকলে যীচুক দোষাৰূপ কৰিলে, আৰু মন্দ অবিশ্বাসীবিলাকে তেওঁক ক্রুচবিদ্ধ কৰিলে আৰু তাতে তেওঁৰ মৃত্যু হ’ল।



শাসনকৰ্ত্তা সকলে তেওঁক মৈদামত থবলৈ যীচুৰ বন্ধুবিলাকক দিলে। লোকবিলাক মৈদামৰ আঁতৰত থাকিবলৈ ৰোমীয় শাসনমৰ্ত্তাই চিপাহী বিলাকক তাত ৰাখিলে।



তিনিদিনৰ পিছত যীচু মৃত্যুৰ পৰা উঠিল আৰু অনেকক দেখা দিলে। তেওঁবিলাকৰ পথ সলনি কৰিবলৈ সকলো ঠাইৰ লোকবিলাকক তেওঁ ক’লে আৰু আটাই মন্দ কামৰ পৰা ক্ষমা পাবলৈ তেওঁত বিশ্বাস কৰিবলৈ আৰু তেওঁৰ নিজৰ অনন্ত জীৱন তেওঁলোকক দিব বুলি কলে।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net